Total No. of Printed Pages—3

## 5 SEM TDC DSE ASM (CBCS) 1 (A) (H)

**2025**

( Nov/Dec )

# ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE–1 (A)

**( অসমীয়া ব্যাকৰণ, অভিধান আৰু জতুৱা প্ৰয়োগ )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

১। (ক) অসমীয়া ভাষাৰ ব্যঞ্জন বৰ্ণমালাৰ আখৰবোৰৰ উচ্চাৰণৰ দিশত কেনেধৰণৰ বৈশিষ্ট্য দেখা যায়, আলোচনা কৰা। ১৫

*অথবা*

(খ) আখৰ-জোঁটনিৰ ক্ষেত্ৰত অসমীয়া ভাষাত কেনেধৰণৰ সমস্যাৰ সৃষ্টি হয়, আলোচনা কৰা।

২। (ক) অসমীয়া ভাষাৰ পৰপ্ৰত্যয়বোৰক কি কি ভাগত ভাগ কৰিব পাৰি? সেই ভাগবোৰৰ বিষয়ে আলোচনা কৰাঁ। ২+১৩=১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ বহুবচন বুজোৱা প্ৰত্যয় আৰু লিংগবাচক প্ৰত্যয়ৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। $৭\frac{১}{২}+৭\frac{১}{২}=১৫$

৩। (ক) অসমীয়া ভাষাৰ অভিধানৰ বিষয়ে এটি পৰিচয়সূচক আলোচনা আগবঢ়োৱাঁ। ১২

*অথবা*

(খ) যি কোনো দুখন অসমীয়া অভিধানত প্ৰয়োগ হোৱা সংক্ষিপ্ত ৰূপৰ বিষয়ে আলোচনা কৰাঁ। ৬+৬=১২

৪। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) পৰিভাষাৰ ধাৰণা

(খ) পৰিভাষাৰ প্ৰকাৰভেদ

(গ) প্ৰশাসনিক পৰিভাষা

৫। (ক) অসমীয়া ভাষাৰ জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ পৰিচয়সূচক এটি আলোচনা আগবঢ়োৱাঁ। ১০

*অথবা*

(খ) অৰ্থ লিখি বাক্য-ৰচনা কৰাঁ (যি কোনো পাঁচোটা) : ২×৫=১০

আথে বেথে ; অজীণ পাতকী ; কুন্দত কটা ; খাই পাত ফলা ; ডলাৰ বগৰী ; নাদৰ ভেকুলী ; পাবত গজা ; বুদ্ধিত বৃহস্পতি ; শঠা মিতিৰ ; হাত টান।





৬। যি কোনো দুটাৰ বিষয়ে চমু টোকা লিখাঁ : ৫×২=১০

(ক) জোৰ বাচকতা

(খ) চৰ্ত সাপেক্ষতা

(গ) নিৰ্দিষ্টতাবাচক সৰ্গ

(ঘ) ক্ৰিয়াবাচক পৰসৰ্গ

৭। উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'অসমীয়া ভাষাৰ ব্যাকৰণ' কাৰ ৰচনা?

(খ) অসমীয়াত স্বৰৰ অনুনাসিকতা বৰ্ণগত হয়নে?

(গ) 'আবতৰীয়া' শব্দত থকা পূৰ্ব প্ৰত্যয়টো কি?

(ঘ) 'উজনি' শব্দটোৰ প্ৰত্যয় ভাঙা।

(ঙ) 'হেমকোষ' কোন চনত প্ৰকাশ পাইছিল?

(চ) Registrar-অৰ অসমীয়া পৰিভাষা কি?

(ছ) শুদ্ধ জতুৱা ৰূপটো বাছি উলিওৱাঁ :

আমি পানী খাওঁ / আমি পানী পিওঁ / আমি পানী পি খাওঁ।

(জ) এখন অনলাইন অসমীয়া অভিধানৰ নাম লিখাঁ।

★★★